# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 05-12-2025
**Time :** 1845 Hrs.

## *Assamese Evening Bulletin*
## HEADLINES

১। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত এছ্ আই টিৰ ১২ ডিচেম্বৰৰ ভিতৰত অভিযোগনামা দাখিলৰ সম্ভাৱনা।

২। ইণ্ডিগ' বিমান সেৱাৰ চালকসকলৰ অসহযোগিতাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰো বিভিন্ন বিমান বন্দৰৰ পৰা চলাচল কৰা কেইবাখনো বিমানৰ যাত্ৰা বাতিল।

৩। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ব্যৱহাৰিক পৰীক্ষাৰ সময়সূচী ঘোষণা।

৪। ধুবুৰী জিলাত আৰক্ষীৰ বুজন পৰিমাণৰ নিচাযুক্ত দ্ৰব্য দাহ।

*আৰু*

৫। উমৰাংছ'ত ডিমা হাচাও জিলাৰ প্ৰথমখন অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়াম মুকলি।

০০০০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত গঠন কৰা বিশেষ তদন্তকাৰী গোট এছ্ আই টিয়ে এই গোচৰৰ তদন্ত প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ কৰিছে আৰু ১২ ডিচেম্বৰৰ ভিতৰত অভিযোগনামা দাখিল কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এছ্ আই টিয়ে বৃহৎ সংখ্যক সাক্ষ্য প্ৰমাণ লাভ কৰাৰ লগতে প্ৰায় তিনি হাজাৰ পৃষ্ঠাৰ অভিযোগনামা সাজু কৰিছে আৰু নিৰ্ধাৰিত সময়ৰ পূৰ্বেই ইয়াক দাখিল কৰা হ'ব।

***-বাইট-***

০০০০০০০

দেশৰ ব্যক্তিগত খণ্ডৰ বৃহত্তম বিমান পৰিবহণ সংস্থা ইণ্ডিগ' এয়াৰলাইন্সৰ পাইলটসকলৰ অসহযোগিতাকে ধৰি বিভিন্ন কাৰণত আজিও সমগ্ৰ দেশতে পৰিবহণ সংস্থাটোৰ বিমান সেৱা বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰতো আজি ইণ্ডিগ'ৰ কেইবাখনো বিমানৰ যাত্ৰা বাতিল কৰা হয় আৰু আন কেইবাখনো বিমান যথেষ্ট পলমকৈ চলাচল কৰে। অৱশ্যে ইণ্ডিগ' কৰ্তৃপক্ষই তেওঁলোকৰ বিমানসমূহৰ যাত্ৰা বাতিল অথবা সময়সূচী সলনি সম্পৰ্কত কোনো আগতীয়া তথ্য প্ৰকাশ নকৰাৰ বাবে বিমানবন্দৰত আজিও বিশৃংখলতাৰ সৃষ্টি হয়। ডিব্ৰুগড়, লখিমপুৰ, যোৰহাট, তেজপুৰ আৰু ইটানগৰৰ সমীপৰ হলংগি বিমানবন্দৰৰ পৰা চলাচল কৰা ইণ্ডিগ'ৰ কেইবাখনো বিমানৰ যাত্ৰা আজি বাতিল হোৱাৰ ফলত যাত্ৰীসকলে দুৰ্ভোগ ভুগিবলগীয়া হয়। অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ে পাইলটসকলৰ উৰণৰ আৰু

জিৰণিৰ সময়সীমা নতুনকৈ নিৰ্ধাৰণ কৰাৰ ফলত দেশৰ সৰ্ববৃহৎ বিমান পৰিবহণ সংস্থাটোৰ বিমান পৰিচালনাৰ ক্ষেত্ৰত এনে বিসংগতিৰ সৃষ্টি হৈছে।

ইণ্ডিগ'ৰ এই অব্যৱস্থাৰ প্ৰসংগটো আজি সংসদৰ মজিয়াতো উত্থাপিত হয়। আজি ৰাজ্যসভাত শূন্যকালত কংগ্ৰেছৰ প্ৰমোদ তিৱাৰী আৰু শিৱসেনাৰ উদ্ধৱ থাকৰে গোটৰ প্ৰিয়ংকা চতুৰ্বেদীয়ে সমগ্ৰ বিষয়টো সন্দৰ্ভত অসামৰিক বিমান পৰিবহণ মন্ত্ৰীৰ পৰা এটা বিবৃতি দাবী কৰে। অসামৰিক বিমান পৰিবহণ মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সদস্যসকলক এই বিষয়ত যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আশ্বাস দিয়ে।

ইপিনে অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰামমোহন নাইডুৱে ইণ্ডিগ' এয়াৰলাইন্সৰ বিমানৰ বাতিলকৰণ আৰু অস্বাভাৱিক বিলম্বৰ বিষয়টো অহৰহভাৱে নিৰীক্ষণ কৰাৰ বাবে তেওঁৰ মন্ত্ৰালয়ত স্থাপন কৰা নিয়ন্ত্ৰণ কক্ষত আজি নিজেও পৰিস্থিতিৰ পৰ্যালোচনা কৰে। দেশৰ সকলো বিমানবন্দৰতে ইণ্ডিগ'ৰ বিমান সেৱা সময়মতে সম্পন্ন হোৱাৰ বাবে আগতীয়া ব্যৱস্থা গ্ৰহণ কৰিবলৈকো মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট সকলো পক্ষক নিৰ্দেশ দিছে।

0000000

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ব্যৱহাৰিক পৰীক্ষাৰ সময়সূচী ঘোষণা কৰিছে। এই সময়সূচী অনুসৰি নিৰ্ধাৰিত বিষয়সমূহৰ বাবে অহা ২৮ আৰু ২৯ জানুৱাৰীত ব্যৱহাৰিক পৰীক্ষা অনুষ্ঠিত হ'ব।

0000000

নগাঁও জিলা প্ৰশাসনে ৰূপহীহাট থানাৰ অন্তৰ্গত ভকতগাঁৱত আজি উচ্ছেদ অভিযান চলায়। প্ৰশাসনে প্ৰায় ৩৮ বিঘা ভূমিত অবৈধভাৱে বাস কৰা ৭৫টা পৰিয়ালক উচ্ছেদ কৰে। জিলা প্ৰশাসনে ইতিমধ্যে দখলীকৃত ভূমি খালী কৰাৰ বাবে প্ৰেৰণ কৰা জাননী লাভ কৰাৰ পাছতে একাংশ পৰিয়ালে সেই ঠাই এৰি আঁতৰি যায়। আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ উপস্থিতিত আজি বাকী থকা পৰিয়ালসমূহক উচ্ছেদ কৰা হয়। এই উচ্ছেদ অভিযান শান্তিপূৰ্ণভাৱে সম্পন্ন হয় বুলি আমাৰ নগাঁৱৰ সংবাদদাতাই জনাইছে।

***-বাইট-***

0000000

ৰাজ্যৰ জাতীয় ফল ৰূপে স্বীকৃতি লাভ কৰা কাজি নেমুৰ ৰস সংৰক্ষণৰ বাবে অসম কৃষি বিশ্ববিদ্যালয়ৰ গৱেষক বিজ্ঞানীসকলে উদ্ভাৱণ কৰা বিশেষ প্ৰযুক্তি কৌশলৰ বাণিজ্যিক উৎপাদনৰ এখন বুজাবুজিৰ চুক্তি আজি স্বাক্ষৰ কৰা হয়। কৃষি বিশ্ববিদ্যালয়খনৰ কৃষি গৱেষণা সঞ্চালকৰ কাৰ্যালয়ত আয়োজিত এটা অনুষ্ঠানত ত্ৰিনিতি ফ্ৰুক্তা প্ৰাইভেট লিমিটেডৰ সৈতে এই চুক্তি স্বাক্ষৰ কৰা হয়। কৃষি গৱেষণা সঞ্চালক ড° সঞ্জয় কুমাৰ চেতিয়া আৰু কোম্পানীটোৰ হৈ ড° কে. এন. সিঙে এই চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ জৰিয়তে কাজি নেমুৰ ৰস উৎপাদন কৰি স্থানীয় কৃষকক স্বাৱলম্বী কৰিব পৰা হ'ব বুলি বিশ্ববিদ্যালয় কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে। কোনো ধৰণৰ সংৰক্ষকৰ অবিহনে এই প্ৰযুক্তিৰ জৰিয়তে প্ৰায় দুবছৰলৈকে কাজি নেমুৰ ৰস সংৰক্ষণ কৰি শীতল পানীয়ৰ দৰে ব্যৱহাৰ কৰিব পৰা হ'ব বুলি গৱেষকসকলে জানিবলৈ দিছে।

0000000

ধুবুৰী জিলাৰ গৌৰীপুৰৰ আলমগঞ্জত আজি আৰক্ষীৰ সহযোগত বুজন পৰিমাণৰ নিচাযুক্ত দ্ৰব্য দাহ কৰা হয়। জিলাখনৰ ৫ খন থানাৰ ৭২টা গোচৰৰ ভিত্তিত চলোৱা অভিযানৰ অন্তত জব্দ কৰা ৩ কোটি ৯৭ লাখ টকা মূল্যৰ নিচাযুক্ত দ্ৰব্য দাহ কৰা হয়। কাৰ্যবাহী দণ্ডাধীশৰ উপস্থিতিত ধুবুৰী আৰক্ষীয়ে এই দাহ কাৰ্যসূচী সম্পন্ন কৰে। দাহ কৰা নিচাযুক্ত দ্ৰব্যসমূহৰ ভিতৰত হেৰ'ইন, ব্ৰাউন ছুগাৰ, ভাং, নিচাজাতীয় টেবলেট আৰু কফছিৰাপৰ বটলো আছে।

০০০০০০০

ওদালগুৰি জিলাৰ কলাইগাঁও থানাৰ অন্তৰ্গত গৰুবন্ধা চ'কত আজি আৰক্ষীয়ে এজন ব্যক্তিৰ জিম্মাৰ পৰা বুজন পৰিমাণৰ ভাং জব্দ কৰে। এটা গোপন সূত্ৰৰ ভিত্তিত এখন যাত্ৰীবাহী বাছত অভিযান চলাই মঙলদৈ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া চন্দন বৰাৰ নেতৃত্বত এই ভাংখিনি জব্দ কৰা হয়। এই সংক্ৰান্তত অধিক তথ্যৰ বাবে ধৃত লোকজনক আৰক্ষীয়ে সোধা-পোছা কৰি আছে।

০০০০০০০

ডিমা হাচাওৰ সুন্দৰ প্ৰাকৃতিক পৰিৱেশৰ মাজত আজি জিলাখনৰ প্ৰথমখন অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়াম মুকলি কৰা হয়। উমৰাংছ'ত  নিৰ্মাণ কৰা এই নতুন ক্ৰিকেট ষ্টেডিয়ামখন মুকলি কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই খেলৰ সা-সুবিধাসমূহ ৰাজ্যৰ প্ৰতিখন জিলাৰ প্ৰতিটো প্ৰান্তলৈকে কঢ়িয়াই নিবলৈ ৰাজ্য চৰকাৰ দৃঢ় প্ৰতিজ্ঞ বুলি মন্তব্য কৰে। উল্লেখযোগ্য যে, ক্ৰিকেটৰ সকলো প্ৰকাৰৰ প্ৰয়োজনীয় সুবিধাৰে সমৃদ্ধ প্ৰায় ৩০ বিঘা মাটিত নিৰ্মিত এই ষ্টেডিয়ামত ১৫ হাজাৰ দৰ্শকে একেলগে খেল উপভোগ কৰিব পাৰিব। ষ্টেডিয়ামখনত পাঁচখন পিট্‌ছ, এটা আধুনিক পেভেলিয়ন আৰু অন্যান্য উন্নত সুবিধাসমূহ খেলুৱৈসকলে লাভ কৰিব। এই ষ্টেডিয়ামে ক্ৰীড়াৰ ক্ষেত্ৰত জিলাখনক আগবঢ়াই নিয়াৰ লগতে পৰ্যটনৰ ক্ষেত্ৰতো সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব বুলি আশা কৰা হৈছে। অনুষ্ঠানত অংশ লোৱাৰ পাছত বি চি চি আইৰ সচিব দেৱজিৎ লন শইকীয়াই সাংবাদিকৰ আগত কয়, যে এই ষ্টেডিয়ামখনত ঘৰুৱা ক্ৰিকেট খেল অনুষ্ঠিত কৰাৰ বাবে সকলো ধৰণৰ সা-সুবিধা ৰখা হৈছে। এই ষ্টেডিয়ামত অনুশীলন কৰি ভৱিষ্যতে উমা ছেত্ৰীৰ দৰে ক্ৰীড়া প্ৰতিভাৰ উন্মেষ হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

*-বাইট-*

০০০০০০০

ডিমা হাচাও জিলাৰ মাৰ জনগোষ্ঠীৰ লোকসকলৰ পৰম্পৰাগত উৎসৱ চিক পুই ৰুই আজিৰে পৰা অনুষ্ঠিত হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই উৎসৱ উপলক্ষে সমূহ মাৰ জনগোষ্ঠীৰ লোকক শুভেচ্ছা জ্ঞাপন কৰিছে। এই উৎসৱ শীতকালত প্ৰায় এমাহ ধৰি পালন কৰা হয়। উৎসৱৰ সৈতে সংগতি ৰাখি জনগোষ্ঠীটোৰ যুৱক-যুৱতীসকলে থালৌৰাম লাম, লামত লালুং লাম, কেটেল লামৰ দৰে নাচ পৰিৱেশন কৰে। এই উৎসৱৰ দশম দিনটো বিশেষভাৱে উল্লেখযোগ্য বুলি বিবেচনা কৰা হয়। জাৱাল চাক এই উৎসৱৰ শেষৰটো দিন। সেইদিনা জাই পু অৰ্থাৎ নৃত্য গীতৰ আখৰা কৰোতা জনক গাঁওজুৰি শোভাযাত্ৰা কৰোৱা হয়। ইয়াৰ লগতে গাঁওবাসীয়ে একেলগে লগভাত খাই উৎসৱৰ সামৰণি মাৰে।

০০০০০০০

২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় লোকনৃত্য প্ৰতিযোগিতাত মৰিগাঁও জিলাই ৰাজ্যৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰিছে। নতুন দিল্লীৰ ৰাষ্ট্ৰীয় শিক্ষা, গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ উদ্যোগত আৰু অসম ৰাজ্যিক শিক্ষা, গৱেষণা আৰু পৰিষদৰ জনসংখ্যা শিক্ষা কোষৰ দ্বাৰা এই প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত মৰিগাঁও জিলাৰ হৈ কিলিংপৰীয়া মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দলটোৱে জিলাখনলৈ এই সন্মান কঢ়িয়াই আনে।

0000000

তামুলপুৰ জিলাৰ কাউলিত ২৪ নম্বৰ সীমা সুৰক্ষা বাহিনীৰ উদ্যোগত সীমান্তৱৰ্তী লোকসকলক আত্মনিৰ্ভৰশীল হিচাপে গঢ় দিয়াৰ লক্ষ্যৰে আজি এমহীয়া কাঠফুলাৰ খেতি আৰু মৌ-মাখি পালনৰ প্ৰশিক্ষণ আৰম্ভ হয়। ২৪ নম্বৰ সীমা সুৰক্ষা বাহিনী ৰঙিয়াৰ উদ্যোগত জিলাখনৰ বিশেষকৈ ভাৰত-ভূটান সীমান্তৰ প্ৰশিক্ষাৰ্থীসকলক কম্পিউটাৰ হাৰ্ডৱেৰ, ছফ্‌টৱেৰ, চিলাই মেচিন ইত্যাদিৰ প্ৰশিক্ষণ দিয়া হয়। সীমান্তৱৰ্তী অঞ্চলৰ জনসাধাৰণক সুৰক্ষা প্ৰদান কৰাৰ লগতে স্বাৱলম্বী কৰি গঢ়ি তোলাৰ লক্ষ্যৰে তেওঁলোকে এনে পদক্ষেপ গ্ৰহণ কৰি আহিছে। এইবাৰৰ প্ৰশিক্ষণকালত ২২ গৰাকীক কাঠফুলাৰ খেতি আৰু ৩০ গৰাকী প্ৰশিক্ষাৰ্থীক মৌ-মাখি পালনৰ প্ৰশিক্ষণ দিয়া হ'ব।

0000000

দৰং জিলাত মহিলা আৰু শিশু বিকাশ বিভাগৰ উদ্যোগত লিংগভিত্তিক নিৰ্যাতনৰ বিৰুদ্ধে যোৱা ২৫ নৱেম্বৰৰ পৰা ১০ ডিচেম্বৰলৈ সজাগতা সমাবেশৰ আয়োজন কৰা হৈছে। এই সজাগতা সমাবেশৰ অংশ হিচাপে আজি দৰং জিলা প্ৰশাসন আৰু জিলা মহিলা আৰু শিশু বিকাশ বিভাগৰ যৌথ সহযোগত মঙলদৈত এটা সজাগতা শোভাযাত্ৰা উলিওৱা হয়। মঙলদৈ এক নম্বৰ ৱাৰ্ডত থকা মোৱামাৰী  পঞ্চায়ত কাৰ্যালয়ৰ পৰা আৰম্ভ হোৱা এই শোভাযাত্ৰাত **সকলো মহিলাৰ বিৰুদ্ধে ডিজিটেল হিংসা বন্ধ কৰাৰ বাবে একগোট হোৱাৰ** শ্ল'গানেৰে শোভাযাত্ৰাকাৰীসকলে হাতে হাতে প্লেকাৰ্ড, বেনাৰ আদি প্ৰদৰ্শন কৰে।

0000000

শীতকালত ঘন কুঁৱলীৰ বাবে হ'ব পৰা পথ দুৰ্ঘটনা হ্ৰাস কৰাৰ বাবে হোজাই জিলা প্ৰশাসনে যান-বাহন চলাচলৰ ক্ষেত্ৰত নীতি-নিৰ্দেশনা জাৰি কৰিছে। জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে আজি সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰি কয়, যে এই নিৰ্দেশনা অনুসৰি জিলাখনৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ঘাইপথত বিয়লি ৫ বজাৰ পৰা পুৱা ৮ বজালৈ ডাম্পাৰ চলাচল বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এই সময়ছোৱাত এই পথসমূহত ই-ৰিক্সাৰ চলাচলো বন্ধ কৰা হৈছে। তদুপৰি ৰাষ্ট্ৰীয় ঘাইপথত সকলো গধুৰ যান-বাহনৰ বেগ প্ৰতি ঘণ্টাত ৪০ কিলোমিটাৰ আৰু লঘু বাহনৰ বেগ প্ৰতি ঘণ্টাত ৬০ কিলোমিটাৰলৈ সীমাবদ্ধ কৰা হৈছে। তদুপৰি সুৰাপান কৰি আৰু দ্ৰুতগতিত গাড়ী চলোৱাকে ধৰি কেইবাটাও বিষয়ত নিষেধাজ্ঞা আৰোপ কৰা হৈছে বুলি তেওঁ কয়।

0000000

ৰাজ্যৰ কৃষিক্ষেত্ৰৰ সম্ভাৱনা আৰু কৃষকলৈ সা-সুবিধা সন্দৰ্ভত আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত অসম বীজ আৰু জৈৱিক প্ৰমাণিকৰণ অভিকৰণৰ প্ৰাক্তন সঞ্চালক তথা প্ৰাক্তন যুটীয়া কৃষি সঞ্চালক মৌচম হাজৰিকা আৰু সোণাপুৰ

চক্ৰৰ কৃষি উন্নয়ন বিষয়া সুপ্ৰিয়া বৰাই অংশ ল'ব। অনুষ্ঠানত কেইবাগৰাকীও কৃষকে নিজৰ অভিজ্ঞতা বিনিময় কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত প্ৰচাৰিত শিৱসাগৰ জিলাৰ আমগুৰি উন্নয়ন খণ্ডত ৰূপায়িত চৰকাৰৰ ধবজাবাহী আঁচনিসমূহৰ ৰূপায়ণ সন্দৰ্ভত আমগুৰি খণ্ড উন্নয়ন বিষয়া ৰাতুল গগৈৰ সৈতে সাক্ষাৎকাৰ নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ শিৱসাগৰৰ সংবাদদাতা মুজাহিদ আলীয়ে।

০০০০০০০

নৰ্থ ইষ্ট নেটৱৰ্ক নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ উদ্যোগত আজি কৰ্মক্ষেত্ৰত যৌন উৎপীড়ন (সুৰক্ষা, প্ৰতিৰোধ আৰু নিষ্পত্তি) আইন ২০১৩ সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। সংস্থাটোৱে গণসংযোগ আৰু পৰিৱেশ্য কলাৰ অনুষ্ঠান বিলাকত মহিলা কৰ্মচাৰীৰ কাৰণে সুৰক্ষিত কৰ্ম পৰিৱেশ গঢ়ি তোলাৰ বাবে এখন আলোচনা চক্ৰও অনুষ্ঠিত কৰে। বিশিষ্ট সংবাদকৰ্মী কবিতা লহকৰ, নাট্যকৰ্মী ৰবিজিতা গগৈ, পাপৰি মেধিকে ধৰি ভালে কেইজন বিশিষ্ট ব্যক্তিয়ে এই অনুষ্ঠানত বক্তা হিচাপে উপস্থিতি থাকে। অসম ৰাজ্যিক সংগ্ৰহালয়ৰ কনকলাল বৰুৱা প্ৰেক্ষাগৃহত এই আয়োজিত এই অনুষ্ঠানত ভালেসংখ্যক অংশগ্ৰহণকাৰী উপস্থিত থাকে।

০০০০০০০

ডিমৰীয়াৰ সমীপৰ তেতেলীয়াত সংঘটিত এটা পথ দুৰ্ঘটনাত দুজন লোকৰ মৃত্যু হোৱাৰ লগতে আন ৫ জন লোক গুৰুতৰভাৱে আহত হয়। আৰক্ষী সূত্ৰই জনোৱা অনুসৰি নিশা প্ৰায় আঢ়ৈ বজাত নগাঁৱৰ জুৰীয়াৰ আদাখুন্দাৰ পৰা শ্বিলংলৈ এখন বাহনেৰে হৃদৰোগৰ চিকিৎসাৰ বাবে গৈ থকা অৱস্থাত পথৰ মাজতে গাড়ীখন দুৰ্ঘটনাত পতিত হয়। মৃত লোক দুজন ইমান আলী আৰু আফিজুৰ ৰহমান বুলি চিনাক্ত কৰা হৈছে। আনহাতে আহত লোককেইজনক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল কাইলৈ বিশাখাপট্টনমত অনুষ্ঠিত হ'ব। খেলখন দিনৰ এক বাজি ৩০ মিনিটত আৰম্ভ হ'ব। দুয়োটা দলে ইতিমধ্যে শৃংখলাটোত ১-১ৰ সমতা স্থাপন কৰিছে। দুয়োটা দলে কাইলৈ শৃংখলাটো দখলৰ বাবে আপ্ৰাণ চেষ্টা চলাব।

০০০০০০০

**সমাপ্ত**